# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১।	কিংবদন্তি শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ আৰম্ভণী। কৃতজ্ঞ অসমবাসীৰ শ্ৰদ্ধা নিবেদন।
২।	বিশ্ববন্দিত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই ভাৰতীয় ৰিজাৰ্ভ বেংকে এটা বিশেষ মুদ্ৰা জাৰি কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
৩।	শ্ৰীলংকাত থকা ভাৰতীয় উচ্চ আয়োগৰ উদ্যোগত সুধাকণ্ঠৰ **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটিৰ সিংহলী আৰু তামিল সংস্কৰণ মুকলি।
৪।	আসন্ন বিটিআৰ নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি। ব্যাপক নিৰ্বাচনী প্ৰচাৰ অব্যাহত।	*আৰু*
৫।	কাইলৈৰ পৰা পুৰুষৰ এছিয়া কাপ ২০২৫ ক্ৰিকেট প্ৰতিযোগিতা।

ooooo

গীতৰ হেজাৰ শ্ৰোতাৰ বাবে আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ গান গোৱা, প্ৰীতি দিগবলয়ত গতিশীল গীত গাই সমাজত নতুন সাহৰ সঞ্চাৰ কৰা বিশ্ববন্দিত শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গীতেৰে সমাজত মানৱতা আৰু সমন্বয়ৰ বাৰ্তা বিলাই বিশ্বৰ বুকুত উজ্বল নিদৰ্শন ৰাখি যোৱা গণ শিল্পীগৰাকীৰ জন্মদিনত আজি কৃতজ্ঞ অসমবাসীয়ে ৰাজ্যৰ অঞ্চলে অঞ্চলে শ্ৰদ্ধা জ্ঞাপন কৰিছে। তদুপৰি দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশতো শিল্পীগৰাকীৰ সোঁৱৰণত অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানেৰে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধন কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত ড০ ভূপেন হাজৰিকাৰ গীতসমূহ যথাৰ্থতে সমাজৰ নিপীড়িতসকলৰ আশা-আকাংশা আৰু সাধাৰণৰ মানুহৰ সপোনৰ বাহক আছিল বুলি উল্লেখ কৰে। অবিস্মৰণীয় ব্যক্তিত্বৰ শিল্পীগৰাকী বিশ্বৰ সন্মুখত অসমৰ এখন অভিজাত দুৱাৰ সদৃশ বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে।

**বাইট (চি এম)**

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অহা ১৩ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ৰাজ্যবাসীয়ে পুনৰ সুধাকণ্ঠলৈ শ্ৰদ্ধা নিবেদন কৰিব বুলি উল্লেখ কৰে। এই অনুষ্ঠানতে শ্ৰীমোদীয়ে শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰস্তুত কৰা এটা বিশেষ মুদ্ৰা উন্মোচন কৰিব বুলি জানিবলৈ দিয়ে। তদুপৰি বৰেণ্য শিল্পীগৰাকীৰ জীৱন সম্বলিত এখন গ্ৰন্থও প্ৰধানমন্ত্ৰীয়ে উন্মোচন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি অৰুণাচল প্ৰদেশ, মেঘালয়, মুম্বাই আৰু নতুন দিল্লীত ৰাজ্য চৰকাৰে অনুষ্ঠানৰ আয়োজন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। নতুন দিল্লীৰ অসম ভৱনতো আজি সুধাকণ্ঠৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপন কৰি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এইদৰে কয়--

**ৰাইট (পবিত্ৰ মাৰ্ঘেৰিট)**

শ্ৰীলংকাত থকা ভাৰতীয় উচ্চ আয়োগৰ সাংস্কৃতিক শাখাই বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই উপলক্ষে ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝাই **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটিৰ সিংহলী আৰু তামিল সংস্কৰণ মুকলি কৰে।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩ খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে আজিৰেপৰা ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ উপৰি দেশে-বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

তিনিচুকীয়া জিলাৰ গুইজানত আজি ড০ ভূপেন হাজৰিকাৰ জয়ন্তী উপলক্ষে **বিস্তীৰ্ণ পাৰৰে** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ উদ্যোগত শদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰত নৌকা যাত্ৰাৰে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত আজি থানা চাৰিআলিত সুধাকণ্ঠ জন্ম শতবৰ্ষৰ অনুষ্ঠানৰ আয়োজন কৰা হয়।

শিল্পীগৰাকীৰ জয়ন্তী উপলক্ষে আজি **মানুহে মানুহৰ বাবে** শীৰ্ষ বাণী সাৰোগত কৰি ডিব্ৰুগড়ত ২০ গৰাকী ফিজিঅ' থেৰাপিষ্টে অসম চিকিৎসা মহাবিদ্যালয়ত ৰক্তদান কৰে। ইপিনে শিৱসাগৰ জিলা আয়ুক্তই আজি শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে আনুষ্ঠানিকভাৱে অনুভাস যন্ত্ৰ উদ্বোধন কৰা হয়। ইয়াৰ জৰিয়তে প্ৰাতঃস্মৰণীয় শিল্পীগৰাকীৰ গীতসমূহ প্ৰচাৰ কৰা হ'ব। ডিব্ৰুগড় জিলা প্ৰশাসন আৰু জিলা সাংস্কৃতিক বিভাগৰ উদ্যোগত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰে।

হোজাই জিলা ছাত্ৰ সন্থাইও আজি কাকি আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত এই অনুষ্ঠানৰ আয়োজন কৰে। ডিফু সাহিত্য সভাৰ উদ্যোগত আজি ৰাংচিনা ভৱনত এই কাৰ্যসূচী অনুষ্ঠিত হয়। শিৱসাগৰৰ দিখৌপৰীয়া শিল্পী সমাজ আৰু প্ৰেছ ক্লাবৰ উদ্যোগত আজিৰ দিনটো **গানৰ দিন** হিচাপে উদযাপন কৰে।

বৰাক উপত্যকাৰ আটাইকেইখন জিলাতে আজি বৰেণ্য শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হয়।

নগাঁও জিলাতো আজি শিল্পীগৰাকীৰ জয়ন্তী উপলক্ষে কলঙৰ বাকৰি নেহৰুবালিত ৬ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে সমস্বৰে **মানুহে মানুহৰ বাবে** গীতটো পৰিৱেশন কৰে।

তেজপুৰত আজি **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতেৰে **মানৰ শৃংখল আৰু শতাব্দীৰ সুবাস** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

গুৱাহাটী মহানগৰীতো শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি কালিৰেপৰা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থাই সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰীৰ পাৰত আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সংগঠনটোৱে আজি সন্ধিয়া দীঘলীপুখুৰী পাৰত উদ্দীপনা শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। এই উপলক্ষে এশ গছি বন্তি প্ৰজ্বলনৰ পাছত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

বৰপেটাত আজি কিংবদন্তি শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰপেটা জিলা সাহিত্য সভা আৰু ফিল্ম ছ'চাইটীৰ উদ্যোগত আজি অনুষ্ঠান উদযাপন কৰা হয়। এই উপলক্ষে বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই ৰচনা কৰা **বিহংগম দৃষ্টিত ড০ ভূপেন হাজৰিকা** শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়।

বজালী জিলাতো আজি সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত শিল্পীগৰাকীৰ জীৱনৰ ওপৰত আলোকপাত কৰাৰ লগতে তেওঁৰ সৃষ্টিৰাজীৰ বিশ্লেষণ কৰা হয়।

ধুবুৰী আৰু গোৱালপাৰা জিলাতো আজি সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ আৰম্ভণি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে ৫ হাজাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে শিল্পীগৰাকীৰ কালজয়ী গীত **মানুহে মানুহৰ বাবে** পৰিৱেশন কৰে।

মৰিগাঁও আৰু কামৰূপ জিলাতো আজি শিল্পীগৰাকী জন্ম শতবৰ্ষৰ আৰম্ভণি উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়।

মঙলদৈত আজি শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে চাৰি শতাধিক নবীন-প্ৰবীণ আবৃত্তিকাৰে **মৃত্যু জিনাৰ গান** কবিতাটি আবৃত্তি কৰে। গোৱালপাৰা মহাবিদ্যালয়ত আজি ডেৰ শতাধিক আবৃত্তিকাৰে 'মৃত্যু জিনাৰ গান' কবিতাটি পৰিবেশন কৰে। কামৰূপ জিলাত এই উপলক্ষে মানৱ শৃংখল আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

ৰাজ্যৰ প্ৰতিটো প্ৰান্ত আজি এনেদৰে সুধাকণ্ঠৰ গীত, কবিতাৰে নিনাদিত হৈ উঠা পৰিলক্ষিত হয়।

ooooo

বিটিআৰৰ ৪০টা সমষ্টিত অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচিৰ নিৰ্বাচনৰ বাবে জিলা কেইখনৰ প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। ৰাজনৈতিক দলসমূহেও দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। তামুলপুৰ জিলা প্ৰশাসনে নিৰ্বাচনৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। আজি জিলাখনৰ বৰনগৰস্থিত তামুলপুৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত জিলা আয়ুক্তই প্ৰশিক্ষাৰ্থীসকলক নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

বাক্সা জিলাত আজি বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে প্ৰচাৰ চলায়। তেওঁ শালবাৰী পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত প্ৰচাৰ অভিযানত অংশ লয়। জিলাখনত নিৰ্বাচনী প্ৰচাৰ আৰু প্ৰস্তুতি সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰ—

**ভইচ (দামোদৰ তালুকদাৰ)**

ওদালগুৰি জিলাৰ খালিংদুৱাৰ সমষ্টিত আজি বিজেপিৰ প্ৰাৰ্থী অৰ্জুন দৈমাৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলায়। এই কাৰ্যসূচীত দলৰ ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশ লয়।

ooooo

নুমলীগড় শোধনাগাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বায়' ইথানল প্ৰকল্প মুকলি কৰাৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই সবিশেষ বুজ লয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৪ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰত টু জি ইথানল প্ৰকল্প মুকলি কৰিব। ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাই অস্থায়ী হেলিপেড আৰু ইথানল প্ৰকল্পটো পৰিদৰ্শন কৰাৰ লগতে এখন পৰ্যালোচনা সভাত অংশ লয়। সভাত জিলা আয়ুক্ত পুলক মহন্ত, আৰক্ষী মহা পৰিদৰ্শন ড° ভি শিৱপ্ৰসাদ গাঞ্জালা, আৰক্ষী অধীক্ষক ৰাজেন সিং, শোধনাগাৰৰ পৰিচালন সঞ্চালক ভাস্কৰ ফুকনকে ধৰি জিলাখনৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

ooooo

কামৰূপ মহানগৰ জিলা ছেছন আদালতে পথ দুৰ্ঘটনাত ছামিউল হক নামৰ এজন ছাত্ৰৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা অভিনেত্ৰী নন্দিনী কাশ্যপৰ জামিন মঞ্জুৰ কৰিছে। অভিযুক্ত পক্ষ আৰু চৰকাৰী পক্ষৰ ভাষ্য গ্ৰহণৰ পাছত আদালতে অভিনেত্ৰীগৰাকীক জামিন দিয়ে। উল্লেখযোগ্য যে যোৱা ২৫ জুলাইৰ নিশা অভিনেত্ৰীগৰাকীৰ গাড়ীৰ খুন্দাত নলবাৰী পলিটেকনিকৰ অভিযান্ত্ৰিক বিভাগৰ ছাত্ৰজনৰ মৃত্যু হৈছিল।

ooooo

তিনিচুকীয়া জিলাত আজি কেন্দ্ৰীয় চৰকাৰৰ অভিলাসী কাৰ্যসূচী আদি কৰ্মযোগী অভিযান সম্পৰ্কত জিলা পৰ্যায়ত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা পৰ্যায়ত আয়োজিত জিলা পৰিষদৰ সভাকক্ষত অনুষ্ঠিত কাৰ্যসূচীত

জিলা আয়ুক্ত পৱিত্ৰ কুমাৰ দাসে এই কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকলৰ সহযোগিতা কামনা কৰে। উল্লেখযোগ্য যে বীৰচা মুণ্ডাৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা এই অভিযানৰ অধীনত দেশৰ ভিতৰুৱা অঞ্চলৰ অনগ্ৰসৰ জনজাতীয় লোকসকলক আগুৱাই নিয়াৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত আদি কৰ্মযোগী অভিযানৰ জিলা প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। জিলাখনৰ আটাইকেইটা উন্নয়ন খণ্ডৰ পাঁচগৰাকী কৰ্মচাৰীয়ে ইয়াৰ প্ৰশিক্ষণ লয়। জিলা আয়ুক্ত জয় শিৱানীয়ে আজি সামৰণি অনুষ্ঠানত উপস্থিত থাকি কৰ্মচাৰীসকলক এই অভিযান সফল কৰি তুলিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে জিলাখনত ৩১ খন জনজাতীয় গাঁও আদি কৰ্মযোগী অভিযানৰ অধীনত সামৰি লোৱা হৈছে।

০০০০০

কাইলৈ পুৰুষৰ এছিয়া কাপ ২০২৫ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হ'ব। ডুবাই আৰু আবু ধাবিত হ'বলগীয়া এইবাৰৰ প্ৰতিযোগিতাত ৮ খন দেশে অংশগ্ৰহণ কৰিছে। টি-২০ ফৰমেটত হ'বলগীয়া এই প্ৰতিযোগিতাত ভাৰতে পাকিস্তান, সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ আৰু ওমানৰ লগত গ্ৰুপ-এত স্থান লাভ কৰিছে। গ্ৰুপ-বিত আছে শ্ৰীলংকা, বাংলাদেশ, আফগানিস্তান আৰু হংকং। কাইলৈ প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত আফগানিস্তান হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে অহা ১০ ছেপ্তেম্বৰত নিজৰ প্ৰথমখন খেল সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে খেলিব। সূৰ্যকুমাৰ যাদৱে ভাৰতীয় দলক নেতৃত্ব প্ৰদান কৰিছে।

০০০০০

সমাপ্ত